# দ্বিতীয় অধ্যায়

## ২.০০ কোচ-ৰাজবংশী জনগোষ্ঠীৰ জন্ম সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰ

এগৰাকী বিবাহিত নাৰীৰ জীৱন মাতৃত্ব অবিহনে সম্পূৰ্ণ নহয় বুলি ভবা হয়। মাতৃত্বৰ গৌৰৱ নাৰীৰ বাবে আশীৰ্বাদ স্বৰূপ। বিবাহোত্তৰ জীৱনৰ পিছৰ পৰ্যায়ত মাতৃত্ব লাভৰ বাবে আগবাঢ়ে। এটা জীৱনে আন এটা জীৱনৰ ভাৰ বহন কৰে। পৰিয়ালৰ লোকে নাৰীগৰাকীক মাতৃত্বৰ বাবে শাৰীৰিক আৰু মানসিকভাবে সাজু কৰায়। পৰিয়ালৰ লোকে এটা নতুন জীৱনৰ আশা কৰে। প্ৰায়ভাগ লোকেই বংশবিস্তাৰৰ লগতে উত্তৰাধিকাৰীৰ আশা কৰে। মাতৃয়ে দহমাহ দহদিন নিজৰ গৰ্ভত সন্তানক ৰাখে। কোচ ৰাজবংশী লোকসমাজত নাৰী এগৰাকী গৰ্ভধাৰণৰ প্ৰথম মাহৰ পৰা দহ মাহলৈকে কেঁচুৱাটোৰ ভ্ৰূণৰ বৃদ্ধি কিদৰে হয় সোনাৰায় পূজাৰ গানত এইদৰে পোৱা যায়—

“পৰ্থম মাসেতে ঠাকুৰ (ছাওঁৱা) গৰ্ভ নিল বাস
এক মাস হৈল গৰ্ভ কিছুই নাহি জানি
দুই মাস হৈল গৰ্ভ, হৈলো লোকে জানা জানি।
তিন মাস হৈল গৰ্ভ, গৰ্ভ হৈল হোলা,
চাইৰ মাস হৈল গৰ্ভত, হাড়ে মসঙে জোৰা।
পাঁচ মাস হৈল গৰ্ভ, পঞ্চভূত বইসে
ছয় মাস হৈল গৰ্ভ, মুখ উলিটিয়া বইসে।
সাত মাস হৈল গৰ্ভ, ‘সাধ’ খাবাৰ মন
বাপ মাওয়ে খোৱায় ‘সাধ’ কৰিয়া যতন।
আট মাস হৈল নব যৌৱন পান,
নয় মাস হৈল গৰ্ভ মন পবন জিয়ান।
দশ মাস হৈল গৰ্ভ চক্ষু পাইল দান

অষ্টমী তিথিতে ঠাকুৰ (ছাওঁৱা) দিবে দৰশন।
দশ মাস দশদিন পূৰ্ণিত হৈলঃ
সোনাৰায়-ৰূপাৰায় ভূমিতে পৰিল।
ভুমিতে পৰিয়া ঠাকুৰ অঞা অঞা কৰে,
ধাই মাওয়েৰ জোকাৰে ঠাকুৰ চকু মেলি দেখে।
মাখলা বাঁশেৰ চেইচকা দিয়া নাড়ী ছেদন কৰে
সাত দিন নাউয়াৰে আনি পাষ্টিৰ ক্ষেতি কৰে।
পূৰ্ণ মাসে ঠাকুৰেৰ (ছাওঁৱা) মাসিক নৈবদ্য দে।"[1]

নাৰী এগৰাকীয়ে গৰ্ভধাৰণ কৰাৰ পৰা বিভিন্ন নীতি-নিয়ম মানি চলা হয়। এই নীতি-নিয়ম কিছুমান বৈদিক আচাৰ আৰু কিছুমান লোকাচাৰ। গৰ্ভৱতী গৰাকী যাতে সুস্থ সবল ভাবে সন্তান প্ৰসৱ কৰাব পাৰে সেই বাবে বিভিন্ন নীতি-নিয়ম আৰু লোকাচাৰসমূহ মানি চলা হয়।

**২.০১.১. গৰ্ভধাৰণৰ লক্ষণ ঃ**

বিবাহোত্তৰ জীৱনৰ আশীৰ্বাদ হৈছে গৰ্ভধাৰণ হোৱা। প্ৰথম অৱস্থাত গৰ্ভধাৰণ কৰা নাৰীগৰাকীয়ে কোনো উৱাদিহ নাপায়। নাৰীগৰাকীৰ মাহেকীয়া ঋতুস্নান বা ছুৱা হোৱা (গাও-মাথা ধুওৱা বন্ধ হ'লে) বন্ধ হ'লে গা ভাৰী বা গৰ্ভৱতী হোৱা বুলি বুজিব পাৰে আৰু লগতে নাৰীগৰাকীৰ বমি বমি ভাৱ, খোৱা খাদ্যৰ প্ৰতি অনিহা, একো আহাৰ খাব নোৱাৰা হোৱা, খালেই বমি কৰা। টেঙা জাতীয় খাদ্য গ্ৰহণত আগ্ৰহ বাঢ়ি যোৱা। এইবোৰ লক্ষণে নাৰীগৰাকীৰ গৰ্ভধাৰণ হোৱা বুজায়। এইবোৰ লক্ষণ দেখি পৰিয়ালৰ জ্যেষ্ঠজনে গৰ্ভৱতীক বিভিন্ন উপদেশ দিয়ে। লগতে গৰ্ভৱতীয়ে পালন কৰিবলগীয়া বাধা নিষেধ, নীতি-নিয়মসমূহ জ্যেষ্ঠসকলে শিকাই বুজাই দিয়ে।

**২.০১.২. গৰ্ভধাৰণৰ সময়ত লোৱা যতন ঃ**

গৰ্ভধাৰণ কৰাৰ পিছৰে পৰা গৰ্ভৱতীয়ে বহুতো নীতি-নিয়ম বা বাধা-নিষেধ মানি চলিব লগা হয়।

গৰ্ভৱতীক জীয়া মাছ, হাঁহ, পাৰ, কুকুৰা চৰাই ইত্যাদি মাৰিবলৈ দিয়া নহয়। লগতে হ'বলগীয়া সন্তানৰ পিতৃক এইবোৰ জীৱক মাৰিবলৈ দিয়া নহয়। 'হাঁহ, পাৰ, কুকুৰাৰ ডিঙি মুচৰি মাৰিলে সন্তানৰ ডিঙি বেঁকা হয় বুলি লোকবিশ্বাস আছে আৰু সন্তানৰ অমঙ্গল হ'ব পাৰে বুলি বিশ্বাস প্ৰচলিত আছে।[2] গৰ্ভস্থ সন্তানৰ পিতৃয়ে সাপ, ভেকুলী মৰা নিষেধ। সাপ বা ভেকুলী মাৰিলে সন্তানে সাপৰ নিচিনা জিভা উলিয়াই থাকে বুলি বিশ্বাস কৰা হয়।

গৰ্ভৱতীয়ে মৰাশ চাব নাপায়, গৰ্ভস্থ সন্তানৰ পিতৃয়ে মৰাশ চাব নাপায়, মৰাশ কান্ধত লোৱা নিষেধ, শ্মশানত যোৱা নিষেধ। অশৌচীয়াৰ ঘৰত ভোজন কৰা নিষেধ। হ'বলগীয়া পিতৃয়ে বাহিৰৰ পৰা আহি হাত মুখ ধুই বাহিৰত ৰখা বাঢ়নীৰে নিজৰ গাত কোবাইহে গৰ্ভৱতী থকা ঘৰত প্ৰৱেশ কৰে। বাহিৰৰ বেয়া হাৱা (বতাহে) যাতে গৰ্ভস্থ সন্তানৰ একো অনিষ্ট কৰিব নোৱাৰে সেইবাবে এই বিশ্বাস পালন কৰা হয়। গৰ্ভৱতীক শনিবাৰ, মঙ্গলবাৰ (চোখাবাৰ) পূৰ্ণিমা, অমাৱস্যা তিথি আদিত বাহিৰত যাব নিদিয়ে, লগতে নদী-নলা, জান-জুৰি পাৰ হ'বলৈ দিয়া নহয়।

ৰাজবংশী সমাজত গৰ্ভৱতী মহিলাই চন্দ্ৰগ্ৰহণ আৰু সূৰ্যগ্ৰহণৰ সময়ত অতি সাৱধানে থাকিব লাগে। গ্ৰহণৰ সময়ছোৱাত গৰ্ভৱতী গৰাকীক মাছ-শাক বা অন্য কোনো বস্তু কটা-ছিঙা কৰিবলৈ দিয়া নহয়, কোনো জৰী বা ৰছীত গাঠি দিয়া নিষেধ, খাদ্য গ্ৰহণ কৰা নিষেধ, মাটিত আঁচ টনা নিষেধ, শৌচ পেচাব আদি কৰাও নিষেধ। গ্ৰহণৰ সময়ত বিছনাৰ ওপৰত শুই থাকিব দিয়া হয়। 'গ্ৰহণৰ সময়ত গৰ্ভৱতীগৰাকীয়ে যদি কিবা কাটে, চিঙে, আঁচ টানে তেতিয়াহ'লে গৰ্ভস্থ সন্তানৰ অমঙ্গল বা অংগখুত হয় বুলি বিশ্বাস কৰে।[3] গৰ্ভৱতী মহিলাই হাতত সদায় লোৰ কটাৰী বা লোৰ কিবা অস্ত্ৰ ৰাখে আৰু লগতে জুইশলাৰ কাঠি এটা চুলিৰ খোপাত ৰাখে। লো আৰু জুই থাকিলে কোনো অশুভ শক্তিয়ে গৰ্ভস্থ সন্তানৰ একো ক্ষতি কৰিব নোৱাৰে। গৰ্ভৱতী মহিলাই গৰু-ছাগলী বা অন্যান্য জন্তু বন্ধা ৰছী পাৰ হ'ব নাপায়। কোনো ৰছী বা সূতা ইত্যাদিত গাঠি দিব নাপায়, নহ'লে প্ৰসৱৰ সময়ত বাধাপ্ৰাপ্ত হয় আৰু কষ্ট পায় বুলি লোকবিশ্বাস আছে। চুলি মেলি ফুৰা-চকা কৰিব নালাগে, নহ'লে প্ৰেত্যানী (অপদেৱতা)ৰ নজৰত পৰে। অমাৱস্যা-পূৰ্ণিমা তিথি বাপেকৰ ঘৰত যোৱা নিষেধ, দুপৰীয়া সন্ধিয়া ডাঙৰ গছৰ (বট, আঁহত, সেওৰা, নিম, বেল) তলেদি অহা-যোৱা

কৰা নিষেধ। এই সময়খিনিত অকলে নদী পাৰ হ'ব নালাগে বুলি কোৱা হয়। "প্ৰসূতি ৰাতি বাহিৰত ওলালে বাঢ়নী এডাল লগত লৈ যায়। দিন বা ৰাতি বাহিৰৰ পৰা ঘৰত সোমাওঁতে দুৱাৰত ৰখা চাকিৰ জুইত বাঢ়নীডাল লগাই নিজৰ হাত-ভৰি শৰীৰ জোকাৰি লয় যাতে অপায়-অমঙ্গল দূৰ হয়।"[4]

গৰ্ভৱতী নাৰীক টেঙা, খাৰ বেছি খাব দিয়া নহয়, নহ'লে গৰ্ভপাত হোৱাৰ ভয় থাকে। গৰ্ভৱতীক বা পিতৃক (হ'বলগীয়া) কোনো যজা ফল যেনে— ক'ল, তামোল, ইত্যাদি খাব নিদিয়ে, নহ'লে যমজ সন্তান জন্ম হয় বুলি বিশ্বাস কৰে।

গৰ্ভৱতীগৰাকীৰ কেতিয়াবা কোনো কাৰণবশতঃ তলপেটত বিষ উঠিলে গ্ৰাম্য সমাজে 'পোইৰি বিষ' উঠা বুলি কয়, 'পোইৰি বিষ' এক শ্ৰেণীৰ অপশক্তি। এই বিষ উঠিলে ওজাক মাতি জৰা-ফুকা কৰা হয় আৰু তেল-পানী জাৰি দিয়া আৰু ঠাই বিশেষে ঝাপ (জাপ) বান্ধি দিয়া হয়।[5] গৰ্ভৱতীগৰাকীৰ পিন্ধা কাপোৰৰ টুকুৰা, নখ, চুলি ইত্যাদি লৈ কোনোবাই কুমন্ত্ৰ কৰি গৰ্ভস্থ সন্তানটোক অনিষ্ট কৰিব পাৰে গৰ্ভৱতীগৰাকীয়ে সেইবস্তুবোৰ সাৱধানে ৰাখিব লাগে আৰু যতে-ততে পেলাব নালাগে। গৰ্ভৱতীগৰাকীয়ে পৰিস্কাৰ-পৰিচ্ছন্নভাবে থাকিব লাগে, সদায় আনন্দ মনেৰে, সকলোৰে লগত মিলি-জুলি থাকিব লাগে। গৰ্ভৱতী গৰাকীৰ শোৱা ঘৰত (শোৱা কোঠাত) শিশুৰ ছবি, লাৰুৱা গোপালৰ ছবি ৰখা হয়, বিশ্বাস যে ইয়াৰ ফলত সুন্দৰ কেঁচুৱাৰ জন্ম হয়। গৰ্ভাৱস্থাত ধৰ্মীয় কিতাপ, গীতা, ৰামায়ণ, মহাভাৰত ইত্যাদি পঢ়িবলৈ দিয়া হয়।

গৰ্ভৱতীগৰাকীয়ে আপচু বস্তু যেনে বান্দৰ, সাপ, কাছ ইত্যাদি দেখা নিষেধ। বেলেগেও এই জীৱৰ কথা উলিয়াব নালাগে, আপচু জীৱ-জন্তু দেখিলে বা মনলৈ আনিলে গৰ্ভস্থ সন্তানটোও আপচু হ'ব পাৰে বুলি বিশ্বাস। 'গৰ্ভাৱস্থাত সাপ দেখিলে জন্মৰ পিছত সন্তানেও সাপৰ দৰে জিভা বাহিৰ কৰে বুলি কোৱা হয়।'[6]

গৰ্ভৱতী নাৰীক অমাৱস্যা, পূৰ্ণিমা, দোমাহী, শনিবাৰ, মঙ্গলবাৰ, দুপৰীয়া বা ৰাতিত কতো যাব নিদিয়ে। এই সময়ত কোনো বেয়া হাৱা (বতাহ) লাগি গৰ্ভস্থ সন্তানটোক অনিষ্ঠ কৰিব পাৰে বুলি বিশ্বাস কৰা হয়। 'গৰ্ভৱতীয়ে ঘৰৰ দুৱাৰত বহিব নাপায়, কিয়নো ঘৰৰ দুৱাৰত দুৱাৰী ঠাকুৰ থাকে বুলি বিশ্বাস কৰে, লগতে ঘৰৰ পানীপোতাত বহিব নাপায়,

পানীপোতাত বহিলে যেতিয়া কেঁচুৱাৰ জন্ম হয় তেতিয়া কেঁচুৱাটো বেছিকৈ কান্দে বুলি বিশ্বাস কৰা হয়।[7]

গৰ্ভৱতী মহিলাই উৰালত বহা, তামোলৰ পিক গচকি যোৱা, নেথানিৰ (মোচা কাপোৰ) পানী পাৰ হৈ যোৱা, চাউল ধোৱা পানী, কাপোৰ ধোৱা পানী পাৰ হ'লে 'মইল্ল্যা' ধৰে বুলি বিশ্বাস। 'মইল্ল্যা' ধৰিলে সন্তানৰ মৃত্যু হয়। এই মইল্ল্যা ধৰা মহিলাক (যাৰ সন্তানৰ আগতে মৃত্যু হৈছে) ওজা বা কবিৰাজৰ চোকা দৃষ্টিৰ মাজত ৰখা হয়।[8] এনে মইল্ল্যা ধৰা মহিলাই বহুতো নিয়ম আৰু বাধা-নিষেধ মানি চলিব লাগে। যেনে বেলেগৰ ঘৰত খোৱা-লোৱা কৰা নিষেধ, আনে কাটি দিয়া তামোল খোৱা নিষেধ আদি। গৰ্ভাৱস্থাত তিৰোতাগৰাকীৰ বিভিন্ন খোৱা বস্তুৰ প্ৰতি লোভ আহে। আনকি কিছুমান অখাদ্যৰ প্ৰতি লোভ আহে যেনে- এঙাৰ, কেৰাচিন, চাবোন, ভঙা কলহ, মাটি, চৌকাৰ মাটি আদি। সন্তান জন্ম হোৱাৰ পিছত এইবোৰ লোভ নোহোৱা হৈ যায়। মাকৰ যদি খোৱা বস্তুৰ প্ৰতি লোভ থাকি যায় তেনেহ'লে পৰৱৰ্তী সময়ত কেঁচুৱাটোৰ লেলাউটি বৈ থাকে।

গৰ্ভৱতীয়ে শোৱা ঘৰৰ দুৱাৰত ফটা জাল, সৰিয়হ, নহৰু ইত্যাদি বান্ধি দিয়া হয়, যাতে কোনো অপদেৱতাই গৰ্ভস্থ সন্তানটোক ক্ষতি কৰিব নোৱাৰে। 'গৰ্ভৱতীয়ে নেথানিৰ জল (ঘৰ-চোতাল মচা কাপোৰ বিশেষ) সাম (উৰাল)ৰ দাগ, মৈৰ মাটি নগচে। এইবোৰ গচকিলে গৰ্ভস্থ সন্তানৰ অনিষ্ট হ'ব পাৰে বুলি বিশ্বাস।[9]

গৰ্ভৱতীয়ে পানীপোতাত বহি থকা, ভাত খোৱা, মূৰৰ চুলি বন্ধা নিষেধ, এইবোৰ কৰিলে প্ৰসৱত কষ্ট পায় বুলি বিশ্বাস কৰা হয়। গৰ্ভাৱস্থাত কলৰ থোৰ (পচলা), ঢেঁকীয়া শাক, ইত্যাদি খোৱা নিষেধ খালে সন্তানটোৰ দেহত বেছি নোম হয় বুলি বিশ্বাস।[10]

**২.০১.৩. পঞ্চামৃত ঃ**

গৰ্ভৱতী মহিলাৰ গৰ্ভধাৰণৰ পাঁচ মাহত পঞ্চামৃত খুৱায়। পঞ্চামৃতত পাঁচ প্ৰকাৰ ফল-মূল তাৰ লগতে গাখীৰ, দৈ কল, ঘি, মৌৰ, সংমিশ্ৰণত পঞ্চামৃত বনোৱা হয়। পাঁচগৰাকী সধবা নাৰীয়ে গৰ্ভৱতীক পঞ্চামৃত খুৱাই দিয়ে আৰু গৰ্ভৱতীগৰাকীৰ কোচত পাঁচপ্ৰকাৰ ফল তুলি দিয়ে। সকলোৱে গৰ্ভৱতীৰ মুৰত তেল আৰু সেন্দুৰ দিয়ে। সকলোৱে গৰ্ভৱতীগৰাকীক বস্ত্ৰ, সেন্দুৰ দান কৰে আৰু আশীৰ্বাদ দিয়ে।

**২.০১.৪. সাধ বা সাধ ভক্ষণ ঃ**

গৰ্ভধাৰণৰ সাতমাহত সাধ খোৱায়। 'এই সাধভক্ষণ কেৱল মাকৰ ঘৰত পতা নিয়ম।'[11] গৰ্ভৱতীক নিজৰ পিতৃগৃহত লৈ এই 'সাধ' অনুষ্ঠানটো কৰা হয়। কিন্তু পিতৃগৃহত অসুবিধা থাকিলে স্বামীগৃহতে এই অনুষ্ঠানটো পাতে। প্ৰথম সন্তানৰ সময়ত সাধভক্ষণ কৰাবই। পিছৰ সন্তান বিলাকৰ ক্ষেত্ৰত অৱস্থা বুজি ব্যৱস্থা গ্ৰহণ কৰা হয়।[12] সাত মাহত পঞ্জিকাত শুভ দিন বাৰ চাই সাধৰ দিন ঠিক কৰা হয়। 'অমাৱস্যা, পূৰ্ণিমা, সূৰ্য্যগ্ৰহণ-চন্দ্ৰগ্ৰহণ, শনিবাৰ, মঙ্গলবাৰ আদি দিনত সাধ দিয়া নিষেধ। অৱশ্যে প্ৰায়ভাগেই পঞ্জিকা চাই দিনবাৰ ঠিক কৰে।[13] সাধৰ কাৰণে গাখীৰ, ভোগ, চাউল, চেনী, মাছ-মাংস বিভিন্ন ধৰণৰ তেল-মছলা, শাক-পাচলী আদি খোৱা বস্তু লাগে।[14] সাত প্ৰকাৰৰ ব্যঞ্জন তৈয়াৰ কৰা হয়, মিষ্টান্ন (পায়স) বনোৱা হয়। গৰ্ভৱতীৰ মাকৰ ঘৰৰ পৰা শাখা, সিন্দুৰ, শাড়ী আদি সামগ্ৰী দিয়ে। গৰ্ভৱতী মহিলাগৰাকীক ঘৰৰ ভিতৰত বহাই লৈ সাতগৰাকী সধৱা মহিলাই, সাধ খুৱাই দিয়ে। বিভিন্ন প্ৰকাৰৰ মিঠাই, ফল-মূল মিষ্টান্ন (পায়স), লাডু, পিঠা লগতে মাছ-মাংস আৰু বিভিন্ন ব্যঞ্জনেৰে ভাত দিয়া হয়। অঞ্চলভেদে 'গৰ্ভৱতী মহিলাগৰাকীৰ লগত পাঁচ বা সাত গৰাকী সধৱা মহিলাই বহি একেলগে আহাৰ গ্ৰহণ কৰে।[15]

গৰ্ভৱতীগৰাকীক সাধ ভক্ষণৰ আগত কুলা এখনত কলৰ নিমজপাত (আগলতি কলপাত)ৰ ওপৰত ধুপ-চাকি, ধান-দুবা (দুৱৰি বন) সজায়। উপস্থিত মহিলাসকলে উৰুলি দি ধান-দুবাৰে গৰ্ভৱতীক আশীৰ্বাদ দিয়ে, লগতে মুৰত তেল, কপালত সেন্দুৰৰ ফোঁট দিয়ে। উপস্থিত মহিলাসকলে বিভিন্ন বস্তুৰ উপহাৰ দিয়ে। 'সাধ ভক্ষণ অনুষ্ঠানটো স্ত্ৰী লোকাচাৰ তাতে পুৰুষ মানুহ উপস্থিত নাথাকে।'[16] সাধভক্ষণত বিধৱা, সন্তানহীন যাৰ প্ৰথম সন্তানৰ মৃত্যু হৈছে এওঁলোকৰ যোৱা নিষেধ বুলি ভবা হয়। সাধভক্ষণ দিয়াৰ সময়ত গৰ্ভৱতীৰ কোলাত এজন সৰু ল'ৰাক বহাই দিয়া হয়। 'সাধ খুওৱাৰ পিছত গৰ্ভৱতীয়ে নজনাকৈ ঘৰৰ ভিতৰত দুটা কল আৰু দুখিলা পান ঢাকি থৈ দিয়া হয়। গৰ্ভৱতীগৰাকীক যিকোনো এটা দাঙি চাব দিয়া হয়। কল থোৱাটো দাঙিলে ল'ৰা, পান দুখিলা থোৱাটো দাঙিলে ছোৱালী হয় বুলি বিশ্বাস কৰা হয়।[17]

গৰ্ভৱতী মহিলাই অন্য গৰ্ভৱতী মহিলাৰ সাধত যোৱা আৰু সাধ খোৱা নিষেধ। সাধভক্ষণৰ

জৰিয়তে গৰ্ভৱতী নাৰীগৰাকীয়ে কেঁচুৱা জন্ম দিয়াৰ সৎসাহস আৰু মনোবল বৃদ্ধি কৰাৰ প্ৰচেষ্টা কৰে। সাধভক্ষণৰ সময়ত গৰ্ভৱতী মহিলাগৰাকীক সাধ্যমতে পুষ্টিকৰ খাদ্য খুৱায়। ফলত মহিলাগৰাকী সবল থাকে। কিবা খোৱা বস্তুৰ বাসনা থাকিলেও সেই বস্তুবিধ খুৱাই দিয়ে।[18] সাধভক্ষণ নিয়মৰ শেষত উপস্থিত মহিলাসকলে গৰ্ভৱতীগৰাকীক বিনা কষ্টে আৰু সুস্থ-সবল কেঁচুৱাৰ প্ৰসৱৰ আশীৰ্বাদ দিয়ে। সাধ দিয়াৰ পিছত গৰ্ভৱতীগৰাকীক কোনো গধুৰ কাম কৰিব দিয়া নহয়। সাধভক্ষণ দিয়াৰ পিছত প্ৰসৱ নোহোৱালৈকে কোনো নিয়ম নাই যদিও ঠাইভেদে ন মাহত ‘নৱমী তিথি’ পালন কৰা হয়। নৱমী তিথিত গৰ্ভৱতীক নানা ধৰণৰ মিঠাই, ফল-মূল, মিষ্টান্ন (পায়স) ইত্যাদি খাব দিয়া হয় আৰু নতুন শাড়ী, তেল-সিন্দুৰ ইত্যাদি দিয়া হয়।

**২.০২.১. প্ৰসৱকালীন ৰীতি-নীতি ঃ**

মাতৃগৰ্ভত দহমাহ দহদিন ভ্ৰূণে পূৰ্ণতা লাভ কৰে আৰু এই জগতখনলৈ আহিব সাজু হয়। প্ৰসৱবেদনা মাতৃত্বৰ বাবে যিদৰে ভয়-শংকাৰ কাৰণ সেইদৰে আনন্দময়ও। কোচ ৰাজবংশী সমাজত কেঁচুৱা জন্ম দিয়া ঘৰটোক ‘ছুৱাঘৰ’ বুলি কোৱা হয়। এই ছুৱাঘৰটো গৰ্ভৱতীৰ প্ৰসৱৰ দিন চাপি অহাৰ লগে লগে পৰিস্কাৰ কৰি সাৰি-মুচি থোৱা হয়। কিছুমান অঞ্চলত দেখা যায় যে ‘ছুৱা ঘৰৰ ভিতৰৰ চাৰি চকুত চাৰিডাল সিজু গছৰ টুকুৰা থোৱা হয়, দুৱাৰ মুখত বগৰীৰ কাইট, ফটা জালৰ টুকুৰা ৰখা হয় যাতে ভূত-প্ৰেত, অপদেৱতা আহি পোৱাতী কেঁচুৱাক একো অমঙ্গল কৰিব নোৱাৰে।[19]

প্ৰসৱবেদনা আৰম্ভ হোৱাৰ লগে লগে গাঁৱৰ ধাইয়ানীক মাতি অনা হয়। ধাইয়ানীক সহায় কৰিবলৈ গাঁৱৰে অভিজ্ঞতা থকা নাৰীক ছুৱাঘৰত সোমাবলৈ দিয়া হয়। ‘ধাইয়ানীজনীয়ে প্ৰথমতে আহি মাকজনীৰ বুকুত অলপ সৰিয়হৰ তেল লগাই দিয়ে, সৰিয়হৰ তেলখিনি যদি তলৰফালে পোনপটীয়াকৈ নামি আহে তেনেহ’লে কেঁচুৱা জন্ম হোৱাৰ সময় হৈছে বুলি ধৰা হয় আৰু যদি তেলখিনি বেকা ফালে যায় তেনেহ’লে কেঁচুৱা জন্ম হোৱাৰ সময় হোৱা নাই বুলি ধৰা হয়।’।[20] ধাইয়ানীজনীয়ে প্ৰসৱৰ লক্ষণসমূহ চাই-চিতি প্ৰসূতিগৰাকীৰ বুকুৰ তলৰফালে আৰু পেটৰ ওপৰফালে গামোছাৰে উশাহ-নিশাহ লোৱাত

যাতে কোনো ধৰণৰ অসুবিধা নহয় তাকে লক্ষ্য ৰাখি গামোচা এখনেৰে বান্ধি দিয়া হয়। কবিৰাজৰ পৰা মন্ত্ৰপুত পানীজৰা আনি খুৱাই দিয়া হয়। প্ৰসৱবেদনাত ভূগি থকা মহিলাগৰাকীৰ ওচৰে-পাজৰে কোনো অবিবাহিত পুৰুষক থাকিব দিয়া নহয়। কাৰণ অবিবাহিত পুৰুষ কাষত থাকিলে মহিলাগৰাকীয়ে প্ৰসৱত বহুতো কষ্ট পায় বুলি বিশ্বাস কৰা হয়।[21] ছুৱাঘৰত পুৰুষ, সৰু ল'ৰা-ছোৱালীৰো প্ৰৱেশ নিষিদ্ধ থাকে।

প্ৰসূতিয়ে প্ৰসৱৰ সময়ত কষ্ট পালে ৰঙা কেঁচুকেইটামান কলৰ ভিতৰত সুমুৱাই প্ৰসূতিক খুৱালে প্ৰসৱ সহজে আৰু সোনকালে হয় বুলি বিশ্বাস কৰে।[22] প্ৰসৱবেদনা বেছিকৈ হ'লে পোৱাতীয়ে খুব কষ্ট পাই থাকে, প্ৰসৱ সোনকালে হ'বৰ বাবে ঘৰৰ মানুহে দুৱাৰী ঠাকুৰৰ[23] ওচৰত তামোল-পাণ দি প্ৰাৰ্থনা জনায়—

"দুৱাৰী ঠাকুৰ, দুৱাৰী ঠাকুৰ
দুৱাৰ ছাৰি দে
তোৰ ভক্ত কষ্ট পায়া আছে
দুৱাৰ ছাৰি দে
তোক যোল্লাটিয়া (16] কল দিমো
তোক জীৱেৰ বদল জীৱ দিমো
দুৱাৰ ছাৰি দে।"[24]

প্ৰাৰ্থনা কৰি দুৱাৰত বন্ধা ৰছী এডাল কটাৰীৰে কাটি দিয়া হয়। কেঁচুৱাৰ অন্নপ্ৰাশনৰ পিছত 'দুৱাৰী ঠাকুৰ'ক তামোল পাণ, তেল-সিন্দুৰ, কল 1আখি, পাৰ চৰাই দি ঘৰৰ দুৱাৰত পূজা দিয়ে। লোক বিশ্বাসমতে দুৱাৰী ঠাকুৰক পূজা কৰিলে দুৱাৰ খুলি দিয়ে আৰু সোনকালে প্ৰসৱ হয়।

প্ৰসৱ বেদনা আৰম্ভ হোৱাৰ লগে লগে পোৱাতীৰ শৰীৰৰ পৰা সকলো ধৰণৰ বান্ধ যেনে— তাবিজ, জাপ (ঝাপ), শিকই[25] সকলো খুলি দিয়া হয় তেতিয়া হ'লে পোৱাতীয়ে প্ৰসৱত কষ্ট নাপায়। প্ৰসৱৰ বাবে ধাইয়ানীজনীয়ে পোৱাতীক মাটিত আঠুকাঢ়ি বহিব দিয়ে আৰু এটা উৰালত ধৰি বল প্ৰয়োগ কৰিব দিয়ে বহুতকেইবাৰো বল দিয়াৰ পিছতো প্ৰসৱ নহ'লে পোৱাতীক মাটিত দুভৰি মেলি বহিব দিয়ে আৰু গাঁৱৰে মহিলাকেইজনীক মাতি

গৰ্ভৱতীৰ কঁকালত ধৰি বল প্ৰয়োগ কৰিবলৈ কয়, এনেকৈ বাৰে বাৰে বল দিয়াৰ পিছত কেঁচুৱাৰ প্ৰথমতে মূৰটো ওলাই আহে পিছত ধাইয়ানীজনীয়ে চেষ্টা কৰি কেঁচুৱাৰ মূৰটো ধৰি প্ৰসৱ কৰায়। যদি কেঁচুৱাৰ হাত বা ভৰি প্ৰথমতে বাহিৰ হয় তেতিয়া পোৱাতী আৰু কেঁচুৱাৰ মৃত্যু হ'ব পাৰে বুলি ভবা হয়। প্ৰথমতে হাত বা ভৰি ওলোৱাৰ পিছতো জীয়াই থকা কেঁচুৱাবোৰক ভাগ্যৱান বুলি ভবা হয়। আৰু এনেকৈ জন্ম হোৱা কেঁচুৱাক কোচ ৰাজবংশী সমাজত 'ওপৰজলিয়া' কেঁচুৱা বুলি কোৱা হয়।[26]

কেঁচুৱাটোক কলৰ নিমজ পাতত (আগলতি কলপাত) ভূমিষ্ঠ কৰোৱা হয়। ভূমিষ্ঠ হোৱাৰ পিছত বাঁহৰ চুঁচকানিৰে (চেচুৰে) নাড়ী ছেদন কৰা হয়। নাড়ী ছেদনৰ নিৰ্দিষ্ট জোখ আছে। ল'ৰা হ'লে সাত আঙুলিৰ জোখৰ সমান আৰু ছোৱালী হ'লে পাঁচ আঙুলিৰ জোখৰ সমান নাড়ী কটা হয়।

নাড়ীকটাৰ পিছত সূতাৰে ভালদৰে বান্ধি দিয়া হয় আৰু নাড়ী কটা তেজেৰে কেঁচুৱাটিক পাঁচটা ফোঁট লগাই দিয়া হয়, কপালত এটা, ডিঙিত এটা, বুকুত এটা, দুই বাহুত দুটা ফোঁট লগাই দিয়া হয়। নাড়ী ছেদন কৰাৰ পিছত ধাইয়ানীজনীয়ে কটা অংশত নাকেৰে শুঙে যাতে কোনো অপায় অমঙ্গল নহয়।[27]

কেঁচুৱা জন্মৰ লগে লগে ল'ৰা হ'লে পাঁচবাৰ আৰু ছোৱালী হ'লে চাৰিবাৰ উৰুলি দিয়া হয়।[28] কিছুমান অঞ্চলত ল'ৰা হ'লে দোলাত আৰু ছোৱালী হ'লে বেৰ বা কুলাত চাপৰি মাৰে।[29] ইয়াৰ দ্বাৰাই ওচৰ-চুবুৰীয়াই জানিব পাৰে যে ল'ৰা নে ছোৱালীৰ জন্ম হৈছে। কেঁচুৱাটোক গা ধুৱাই দিয়াৰ পিছত মুখ আৰু জিভাখন মাকৰ চুলিৰ আগেৰে পৰিস্কাৰ কৰি দিয়া হয় বিজলুৱা অংশ যদি কেঁচুৱাৰ পেটৰ ভিতৰত যায় তেতিয়া হাপানী, এজমা হোৱাৰ সম্ভাৱনা থাকে। 'কেঁচুৱাটোৰ মুখত মৌৰস দিয়া হয়, লোকবিশ্বাস যে মৌ খুৱাই দিলে কেঁচুৱাৰ মাত মৌৰ দৰে মিঠা হয়।[30]

কেঁচুৱাৰ জন্মৰ পিছত পোৱাতীৰ ফুল (Placanta) খন যাতে উজাব নোৱাৰে তাৰ বাবে খাৰ আৰু কেচা হালধিৰ ৰস একেলগে মিহলাই খুৱাই দিয়া হয়। পোৱাতীৰ ফুলখন কলপাতত দি ছুৱাঘৰৰ মজিয়াত পুতি ৰখা হয়। পোৱাতীৰ ফুলখন যতে-ততে পেলাই দিয়া নহয়, কাৰণ ফুলখন জীৱ-জন্তুৱে ভক্ষণ কৰিলে পোৱাতীৰ গাখীৰ কমি যায় বুলি বিশ্বাস কৰা হয়।[31] কেঁচুৱাটোক

গা ধুৱাই পৰিস্কাৰ কৰি বাঁহৰ (দোলা) এখনৰ ওপৰত কাপোৰ পাৰি শুৱাই থোৱা হয়। কিছুমান অঞ্চলত কুলাৰ ওপৰত বাঢ়নী দি কাপোৰ পাৰি কেঁচুৱাটোক শুৱাই থোৱা হয়।

পোৱাতীৰ ওচৰত একুৰা তুহঁৰ জুই জ্বলাই ৰখা হয়। কেঁচুৱাৰ ওচৰত লোহাৰ অস্ত্ৰ ৰখা হয়। যাতে কোনো বেয়া শক্তিয়ে কেঁচুৱাটিক একো অনিষ্ট কৰিব নোৱাৰে। তুঁহৰ জুইত মাজে মাজে সৰিয়হ চটিয়াই দিয়া হয়। জুইত সৰিয়হ দিলে ভূত-প্ৰেত ওচৰত আহিব নোৱাৰি বুলি বিশ্বাস কৰা হয়। পোৱাতীক তুহঁজুইৰ তাপ দিব লাগে আৰু নাভিৰ তলত গৰমসেক দিব লাগে যিয়ে পোৱাতীৰ শৰীৰৰ বিষ-বেদনা দুৰ কৰে।[32]

**২.০২.২. পোৱাতী আৰু কেঁচুৱাৰ ল'বলগীয়া যতন ঃ**

কেঁচুৱাৰ প্ৰসৱৰ পিছত পোৱাতী আৰু সন্তান দুয়োৰে শৰীৰ নৰম হৈ থাকে। কেঁচুৱা প্ৰসৱ কৰোতে বল-শক্তি প্ৰয়োগ কৰিবলগীয়া হোৱাত আৰু ৰক্তক্ষণ হোৱা বাবে শৰীৰ দুৰ্বল আৰু বিষ বেদনা হোৱা দেখা যায়। পোৱাতীক কলপাতত ভাত দিয়া হয়। ভাতৰ লগত জালুক, নিমখ নহৰু দিয়া হয়। আঞ্জা খাব দিয়া নহয়। পোৱাতীক সোনকালে আৰোগ্য হ'বলৈ আৰু শৰীৰৰ গাখীৰ বদ্ধি হ'বলৈ মাগুৰ, শিঙি, গৰৈ, ইত্যাদি মাছ অশুনি শাক, জালুক, নহৰু, আদা দি কাঢ়া কৰি ৰান্ধি খুওৱা হয়। গাখীৰ বৃদ্ধি হ'বলৈ কালজিৰা গুৰা কৰি ভাতৰ লগত খাব দিয়া হয়।[33]

পোৱাতীক কচুশাক, কচুৰ ঠাৰি খাব দিয়া হয়। 'প্ৰসূতিক ফৈলা (কান্দুলী) মাছ খুৱালে গাখীৰ বৃদ্ধি হয়'।[34] পোৱাতীক মচুৰ দাইল, ভেদাইলতা, নৰসিংৰপাতৰ জোল বনাই খুওৱা হয়। সন্তান জন্মৰ পৰা এমাহলৈকে পোৱাতীক আধাপেটি ভাত খাব দিয়ে। 'আধাপেটি ভাত খালে সোনকালে সুস্থ হৈ উঠে বুলি বিশ্বাস। ভাত খাওঁতে কেঁচুৱাক কোলাত লৈ খাব লাগে, লোক বিশ্বাসমতে ইয়াৰ দ্বাৰা মাতৃ-পুত্ৰৰ শৰীৰ সোনকালে আৰোগ্য হয়'।[35]

পোৱাতীৰ গাখীৰ কমিলে এটা লোকবিশ্বাস পালন কৰা দেখা যায় যে পোৱাতীৰ মাকে ঘৰৰ পৰা 1 ঘটি গাখীৰ লৈ পোৱাতীৰ ঘৰলৈ আহে, আহোতে গাখীৰ পেলাই পেলাই আহিব লাগে। আহি পোৱাতীৰ মাকে পোৱাতীৰ হাতত গাখীৰৰ ঘটটো দিব লাগে আৰু পোৱাতীৰ মাকে উভতি যাওঁতে পোৱাতীক নজনোৱাকৈ মনে মনে যাব লাগে। যদি জনোৱাকৈ যায় তেতিয়াহ'লে মাকৰ লগতে গাখীৰ গুচি যায় বুলি বিশ্বাস কৰা হয়।[36]

পোৱাতীৰ গাখীৰ আখাত (চৌকাত) পৰিলে গাখীৰ শুকাই যায়। পোৱাতীৰ গাখীৰ যদি মজিয়াত পৰে আৰু সেই গাখীৰ পৰুৱাই খালে গাখীৰ শুকাই যায়। কেঁচুৱাটোক মাকৰ গাখীৰ খুওৱাৰ আগত নিজৰ দেহত তিনিবাৰ মুখেৰে থু, থু দিব লাগে যাতে অশুভ শক্তিয়ে মাকৰ জৰিয়তে কেঁচুৱাটিক একো অনিষ্ট কৰিব নোৱাৰে। কেঁচুৱাটিক গাখীৰ দিয়াৰ আগতে অলপ গাখীৰ বাহিৰ কৰি শিশুটিৰ বুকুত দিয়া হয়।

জন্মৰ দুই-তিনিদিন পিছতে কেঁচুৱাৰ শৰীৰত মাচি-মুচি[37] হোৱা দেখা যায়। তেতিয়া কেঁচুৱাৰ মাহীৰ যিকোনো কাপোৰেৰে কেঁচুৱাটোৰ শৰীৰ মচি দিয়া হয়। তেতিয়া ভাল হয় বুলি বিশ্বাস আছে। কেঁচুৱাৰ জন্মৰ পিছত বেছিভাগৰ কঁকাল আৰু পেটত বিষ থাকে। এই বিষক হাদেলাৰ বিষ বুলি কোৱা হয়, এই বিষ নিৰাময়ৰ বাবে পানীত নিমপাত দি গৰম কৰি সেক দিয়া হয়।[38] কেঁচুৱাটিৰ হাতত কালজিৰাৰ লগতে নহৰু টোপোলা কৰি বান্ধি দিয়া হয়, এয়ে কেঁচুৱাটিক কাঁহ-চৰ্দিৰ পৰা ৰক্ষা কৰে।

কেঁচুৱাটিক সৰিয়হৰ গাৰুত শুৱাই থোৱা হয়। সৰিয়হৰ গাৰুত শুৱালে কেঁচুৱাটোৰ মূৰটো গোলাকাৰ হয়।

মাকৰ গাখীৰ খোৱাৰ ফলত কেঁচুৱাটোৰ বায়ু পিত্ত, কফ হ'ব পাৰে। কেঁচুৱাটিক চুৱা কামোৱাৰ পিছত মুচব্বৰ তিতা খুৱাব লাগে। খুৱালে কেঁচুৱাটোৰ পেটৰ বিষ নহয়। এই তিতাই মাকৰ গাখীৰ হজম কৰাত সহায় কৰে।[39]

## ২.০২.৩. কেঁচুৱাৰ নাড়ী (নাই বা নাষ্টি) পৰা ঃ

মাকৰ শৰীৰৰ পৰা বাঁহৰ চুচকানিৰ (চেচুৰে) কেঁচুৱাৰ নাড়ী ছেদন কৰা হয়। কেচা নাড়ীডাল সোনকালে শুকুৱাবৰ বাবে বা পৰৱৰ্তী সময়ত শুঙাৰী (সেন্দুৰাই)[40] যাতে আক্ৰমণ কৰিব নোৱাৰে তাৰ বাবে বিছাৰ বাহ জুইত পুৰি দি নাড়ীত লগোৱা হয়। নাড়ী যাতে সোনকালে শুকাই তাৰ বাবে ছাগলীৰ বিস্তা জুইত পুৰি ছাইখিনি নাড়ীত দিয়া হয়, চৌকাৰ পোৰা মাটি নাড়ীত দিয়া হয়। মৰা মকৰা আনি জুইত পুৰি সেই ছাই নাড়ীত লগাই দিলে সোনকালে শুকাই বুলি বিশ্বাস। কেতিয়াবা নাড়ীডাল শুকাই গ'লেও সৰি নপৰিলে পুঠি মাছৰ ভুৰি (পেটা) লগাই দিলে সোনকালে সৰে বুলি বিশ্বাস।[41] তিনিদিন বা চাৰিদিন পিছত নাড়ীডাল শুকাই

সৰি পৰে। সৰা নাড়ীডাল ধুই পখালি হালধি তিনি টুকুৰা, তুলসী পাত তিনিটা দি তাবিজত বা পলুৰ লেটাত ভৰাই কেঁচুৱাৰ গলত পিন্ধাই দিয়া হয়। এই তাবিজে কেঁচুৱাটোক বেয়া বতাহৰ পৰা ৰক্ষা কৰে বুলি বিশ্বাস। কিছুমানে নাড়ী শুকাই সৰি পৰিলে নাড়ীডাল সংৰক্ষণ কৰা হয়। কেঁচুৱাৰ পেট কামুৰিলে নাড়ীডাল ধুই পানী খুৱাই দিয়া হয়। ছুৱাঘৰত পোৱাতী বা অভিজ্ঞ মহিলাই নাড়ীডালত মিঠাতেলৰ জ্বলা চাকিত বুঢ়া আঙুলিৰে জুবুৰিয়াই সেক দিয়ে।

**২.০২.৪. পোৱাতী আৰু কেঁচুৱাৰ কু-দৃষ্টিৰ পৰা ৰক্ষা ঃ**

পোৱাতী আৰু কেঁচুৱাক দেও-ভূত প্ৰেত-প্ৰেত্যানী আদি অপশক্তিয়ে যাতে একো অনিষ্ট কৰিব নোৱাৰে তাৰ বাবে মাক আৰু কেঁচুৱাক কবিৰাজৰ দ্বাৰা জাপ (ঝাপ) বান্ধি দিয়া হয়।

চুৱাঘৰৰ দুৱাৰত জাল, বগৰীৰ ডাল, শামুখৰ খোলাৰ মালা আদি বান্ধি দিয়া হয়। পোৱাতীৰ গাত বেয়া হাৱা লাগিলে কেঁচুৱাৰ বমি, হাগা, গাখীৰ নোখোৱা ইত্যাদি হয়। তেতিয়া কবিৰাজৰ পৰা পানীজৰা, তেলজৰা, জাপ (ঝাপ) পোৱাতীক দিয়া হয়। 'প্ৰসূতিয়ে ৰাতি বাহিৰত ওলালে বাঢ়নীডাল লগত লৈ ওলায়। দিন বা ৰাতি বাহিৰৰ পৰা ঘৰত সোমাওঁতে দুৱাৰত ৰখা চাকিৰ জুইত বাঢ়নীডাল লগাই নিজৰ হাত-ভৰি, শৰীৰত জোকাৰি লয় যাতে অপায় অমঙ্গল দূৰ হয়'।[42]

কেঁচুৱাক নজৰ নালাগিবৰ বাবে কাজলৰ ফোঁট কপালত আৰু কপালৰ বাওঁফালে দিয়া হয়। কেঁচুৱাৰ হাতত কড়ি, সাতচৌকা মনি পিন্ধাই দিয়া হয়। কেঁচুৱাটোৰ নজৰ লাগিলে খুব কান্দে, গাখীৰ নাখায়, তেতিয়া কবিৰাজৰ পৰা পানীজৰা বা জাপ দিয়া হয়। কৰবাত ফুৰিব গ'লে ঠাকুৰবাৰীৰ মাটিৰে বা কেঁচুৱাটোৰ পেছাব কৰা মাটিৰে কপালত ফোঁট দিয়া হয় বিশ্বাস কৰা হয় যে তেতিয়া মানুহৰ বেয়া নজৰ নালাগে। কেঁচুৱাক নজৰ নালাগিবৰ বাবে হাত বা কঁকালত ক'লা সূতা বান্ধি দিয়া হয়। কেঁচুৱাৰ 'কান্দানা'[43] হ'লে কেঁচুৱাটো কান্দি থাকে। তেতিয়া কবিৰাজৰ পৰা পানীজৰা বা তেলজৰা লৈ কেঁচুৱাটোৰ কপালত ফোঁট দি খুৱাই দিয়া হয় আৰু মূৰৰ পৰা ভৰিলৈকে চটিয়াই দিয়া হয়।

কেঁচুৱাৰ বসন্ত (আই) হ'লে কবিৰাজে পানীজৰা আৰু ঘি জাৰি দিয়ে। সেই ঘি দি ভোগা (চাকি) দিয়া হয়। সেই ভোগা পাঁচদিন দিব লাগে। কলপাতত ভোগা দিয়া হয়।

ভোগাৰ সংখ্যা 15টা হ’ব লাগে। প্ৰথম দিন পাঁচ টা, দ্বিতীয় দিন চাৰিটা, তৃতীয় দিন তিনিটা চতুৰ্থ দিন দুটা আৰু অন্তিম দিন এটা ভোগা দিব লাগে। ভোগা দিয়া কেইদিন পৰিয়ালৰ সকলোৱে নিৰামিষ খাব লাগে।

**২.০২.৫. পাষ্টিৰ চুৰা কামোৰা ঃ**

কেঁচুৰাৰ নাড়ীডাল সৰাৰ পিছতহে চুৰা কামোৰা হয় বা চুৰা ফেলোৰা হয়। ইয়াক কোচ ৰাজবংশী সমাজত পাষ্টিৰ চুৰা কামোৰা বুলি কোৱা হয়। সেইদিনা কেঁচুৰাটোক সংস্কাৰ কৰি নিজৰ কুলত তুলি লোৱা হয়। কেঁচুৰাটোক নাপিতৰ দ্বাৰা খেউৰ (মুণ্ডনÛকামান) কৰি দিয়া হয় লগতে কেঁচুৰাৰ পিতৃয়েও দাড়ি-চুলি কাটে। কেঁচুৰাৰ নাড়ীডাল যদি ৰাতি, অমাৱস্যা, পূৰ্ণিমা, শনিবাৰ, মঙ্গলবাৰ বা কেঁচুৰাৰ জন্ম বাৰত সৰে, তেতিয়া সেইদিনত চুলি খেউৰ (মুণ্ডনÛকামান) দিয়া নহয়। পিছদিনাহে চুলি খেউৰ কৰা হয়। নাপিতক নিমন্ত্ৰণ কৰা হয়, নাপিত আহিলে আগ চোতালত দুখন পীৰা পাৰি দিয়া হয়। এখন পীৰাত নাপিতজনক বহিব দিয়ে আৰু আনখনত কেঁচুৰাটোক লৈ আইতা বা মাক বা পিতৃয়ে বহিব। এখন কাঁহীত নিমজপাত (আগলতি কলপাত) দি কল 1 আখি, মাটিৰ চাকি দুটা, ধুপ, চাউল, তামোল 1যোৰ, ধান-দুৰ্বা, পইচা, ভোজ্য সজোৱা হয়। কেঁচুৰাটোৰ চুলিখিনি কাটি ৰাখিবৰ বাবে কলপাত এখন থোৱা হয়। এক গিলাচ পানী ৰখা হয়। কেঁচুৰাটোক খেউৰ কৰাৰ পিছত নাপিতে খুৰেৰে কেঁচুৰাটিৰ মুখত এবাৰ পানী চটিয়াই দিয়ে। লোকবিশ্বাস যে খুৰেৰে পানী চটিয়াই দিলে কেঁচুৰাটো বেছি কথা কয় আৰু সকলোৰে মৰম কৰে।

মাকজনীকো নাপিতে হাতৰ আঙুলীৰ নখবোৰ কাটি দিয়ে। কেঁচুৰাটিৰ চুলিখিনি নিমজ পাতেৰে সৈতে একেলগ কৰি পানীপোতাৰ অলপ আগত মাটি খান্দি পুতি থোৱা হয়, পুতি থোৱা চুলিখিনিত যাতে জোৰকৈ পানী নপৰে, জোৰকৈ পানী পৰিলে কেঁচুৰাটি বেছিকৈ কান্দে বুলি বিশ্বাস। চুলি কটা শেষ হোৱাৰ পিছত কেঁচুৰাটোক গা ধুৱাই গা-মূৰত তেল দিয়া হয়। ‘নাপিতজনৰ মূৰতো তেল দিয়া হয়। নাপিতজনৰ মূৰত তেল দিলে কেঁচুৰাটোৰ মঙ্গল হয় বুলি বিশ্বাস প্ৰচলন আছে’।[44] পাষ্টিৰ চুৰা থকালৈকে ঘৰত মাছ-মাংস খোৱা নিষেধ। মাছ-মাংস খালে কেঁচুৰাটোৰ গা গোন্ধ হয় বুলি লোকবিশ্বাস আছে।

**২.০২.৬ মাহেকীয়া/মাসিকা ছুৱা কামোৱা ঃ**

কেঁচুৱাৰ জন্মৰ এক মাহত মাহেকীয়া বা কোচ ৰাজবংশীত মাসিকা তিথি পালন কৰা হয়। সেইদিনা ঘৰৰ সকলো কাপোৰ, বাচন-বৰ্তন ধুই পৰিস্কাৰ কৰা হয়। পুৰণি বাঢ়নীসমূহ পেলাই দি নতুন বাঢ়নী ব্যৱহাৰ কৰা হয়। কেঁচুৱাক শুৱাই থোৱা কুলাখন পেলাই দিয়া হয়। লগতে ছুৱাত ব্যৱহাৰ কৰা কেঁচুৱাৰ কাপোৰখিনিও পেলাই দিয়া হয়। ঘৰ-চোতাল গোবৰেৰে মচি পৰিস্কাৰ কৰা হয়। সেইদিনা কেঁচুৱাটোক ‘দোকামান’[45] দিয়া হয়। দোকামান দিয়াৰ পিছত কেঁচুৱাৰ চুলিখিনি গোবৰত মিহলাই থৈ দিয়া হয় লোকবিশ্বাসমতে গোবৰ দিলে চুলিখিনি কলা আৰু খুব ঘন হয় আৰু কিছুমানে চুলিখিনি লৈ আঠিয়া কলগছৰ গুৰিত থৈ দিয়া হয়, ‘লোকবিশ্বাসমতে আঠিয়া কলগছৰ গুৰিত থলে কেঁচুৱাৰ মুৰটো ঠাণ্ডা হয়’।[46] কেঁচুৱাটোক গৰম পানীৰে গা ধুৱাই নতুন কাপোৰ পিন্ধোৱা হয়। কেঁচুৱাটোৰ মূৰত গোটা জালুক আৰু তেল একেলগে মিহলাই গোটেই মূৰটোত লগাই দিয়া হয়। লোকবিশ্বাসমতে জালুক আৰু তেল মিহলাই মূৰত লগালে মূৰটো গোলাকাৰ হয়। সেইদিনা পৰিয়ালৰ সকলো সদস্য দাড়ি-চুলি কাটে, কেঁচুৱাৰ পিতৃ-মাতৃকো নাপিতে অলপ চুলি বা নখ কাটি দিয়ে। সকলো সদস্যই গা ধোৱাৰ পিছত পৰিয়ালৰ লোকে ব্ৰাহ্মণ বা অধিকাৰীৰ পৰা অনা শান্তিপানী প্ৰথমে মাকজনীৰ দেহত আৰু তাৰ পিছত পৰিয়ালৰ অন্যসকলৰ গাত চটিয়াই দিয়ে।

ঘৰত তুলসীথান বা অন্য কোনো দেৱ-দেৱতাৰ থান থাকিলে থানখন সাৰি-মচি পৰিস্কাৰ কৰি ফল-মূল, ধূপ-ধূনা আদিৰে পূজা কৰা হয়। বহুতে সেইদিনা ব্ৰাহ্মণ বা অধিকাৰীক মাতি পূজা দিয়ে। পূজাৰ সময়ত মাকে কেঁচুৱাটোক কোলাত লৈ তুলসী থানৰ ওচৰত বহি কেঁচুৱাটোৰ মঙ্গল কামনা কৰে আৰু কেঁচুৱাক ভগৱানৰ ওচৰত অৰ্পণ কৰে। সেইদিনা কিছুমানে আকৌ ব্ৰাহ্মণক মাতি সূৰ্য দেৱতাৰ পূজা কৰে। ব্ৰাহ্মণে গোবৰ, গোমুত্ৰ, দৈ, ঘি, দুধ আদি দি শান্তি পানীৰে সকলোকে শুদ্ধ কৰে। ঠাইবিশেষে তেৰ দিনৰ দিনা ঘৰ-চোতাল সাৰি-মচি কাপোৰ ধুই দিয়া হয়। কেঁচুৱাটোক দোকোমান দিয়া হয়। এনেদৰে শুদ্ধি হোৱাৰ পিছত পোৱাতীজনীয়ে ঘৰৰ সকলো কাম ৰন্ধা-বঢ়া, পূজা-পাৰ্বন ইত্যাদি দিব পৰা হয়। পোৱাতীয়ে চুৱাৰ একমাহলৈকে কোনো মঠ-মন্দিৰ, গোহালি ঘৰ, পাকঘৰ আদি প্ৰৱেশ কৰিব বা কোনো কাম কৰিব দিয়া

নহৈছিল। মাহেকীয়া বা মাসিকা সেৰা দিয়াৰ পিছত পোৱাতীয়ে এইসকলো কাম কৰিব পৰা হয়। সেইদিনাৰ পৰা চুৱা শেষ হয়।

**২.০৩.১. নামকৰণ ঃ**

কোচ ৰাজবংশী সমাজত পাষ্টিৰ চুৱাৰ শুদ্ধি হোৱাৰ দিনতে নামকৰণ কৰে। আকৌ কিছুমান মাহেকীয়া চুৱা যোৱাৰ পিছত নামকৰণ কৰে। নামকৰণত শুভদিনত গণকৰ দ্বাৰা গণনা কৰি কেঁচুৱাৰ জন্মৰ তিথি, নক্ষত্ৰ, দিন, বাৰ, সময় চাই ৰাখি অনুযায়ী নাম ৰাখে। নামটো শিশুটিৰ কাণত কোৱা হয়। নামকৰণৰ দিনা তুলসীথান বা ঘৰৰ অন্য থানত কেঁচুৱাটিৰ মংগলাৰ্থে পূজা আগবঢ়োৱা হয়। নামকৰণৰ পিছতে কেঁচুৱাটিৰ পৰিয়ালৰ মত অনুসৰি গণকে কোষ্ঠী বনায়। গণনাৰ দিনা কোষ্ঠীৰ খচৰা বনোৱা হয় পিছত পূৰ্ণাঙ্গ কোষ্ঠী বনোৱা হয়। ব্যায়বহুল বাবে সকলোৱে কোষ্ঠী বনাব পৰা নাছিল। লোকবিশ্বাস মতে কোষ্ঠী বনালে ভূত-ভৱিষ্যৎ চাব পাৰি। বহুতে অন্নপ্ৰাশনৰ দিনা মামাৰ হতুৱাই নাম ৰাখে।

আগতে কোচ ৰাজবংশী সমাজত মাহ, বাৰ, তিথি, ভগৱানৰ নাম ইত্যাদিবোৰলৈ লক্ষ্য ৰাখি নাম ৰাখিছিল।

মাহ অনুসৰি ঃ ব'হাগত হ'লে ব'হাগী, আহাৰত হ'লে আষাৰু, কাতি মাহত হ'লে কাতিৰাম, ভাদত হ'লে ভাদুৰামûভাদুৰী আদি।

বাৰ অনুসৰি ঃ সোমাবাৰে হ'লে সোমাৰুû সোমাৰী, মঙ্গলবাৰে হ'লে মঙলুûমঙলী, বুধবাৰে-বুধাৰু, শনিবাৰে শনিৰামûশনিবালা আদি।

ভগৱানৰ নাম অনুসৰি ঃ ৰাম, কৃষ্ণ, গণেশ, কাৰ্তিক, লক্ষী, সৰস্বতী, দুৰ্গা আদি।

তিথি অনুসৰি ঃ পূৰ্ণিমা, একাদশী, পঞ্চমী আদি

জন্মৰ সময় অনুসৰি ঃ সকালু, ৰাতিয়া, সন্ধ্যা আদি

কেঁচুৱাই হঁহা-কন্দা অনুসৰি ঃ কান্দুৱাûকান্দুৰী।

কিছুমান মহিলাৰ কেঁচুৱা জন্ম হৈ বাৰে বাৰে মৃত্যু হয়। পিছত আকৌ সন্তান জন্ম হ'লে কোচৰাজবংশী সমাজত আপচু নামেৰে শিশুটিৰ নামকৰণ কৰা হয়, যেনে— বঙাল, বদিয়া, টেমা, ঢোৰকা, চিকা ইত্যাদি।

**২.০৩.২. অন্নপ্ৰাশন বা ভাতচুৰানি ঃ**

ল'ৰাৰ হ'লে যোৰ বা যুগ্ম মাহত (যেনে ছয়মাহ, আঠ মাহ) আৰু ছোৱালীৰ হ'লে অযুগ্ম মাহত (পাঁচ, সাত মাহ) অন্নপ্ৰাশন পতা হয়। ৰাজবংশী লোক সমাজত বিশ্বাস আছে যে দাঁত গজিলে অন্নপ্ৰাশন দিব নোৱাৰি 'দাঁত আৰু ভাত একেলগে নাচলে।' দাঁত গজিলে অন্নপ্ৰাশন দিলে কেঁচুৱাটো আঘাত পায় বা কেঁচুৱাটোৰ ক্ষতি হ'ব পাৰে।[47]

শিশুটিক নিজৰ মামায়ে মুখত ভাত দিব লাগে। মামা নাথাকিলে ঠাকুৰ দাই (দেউতাৰ দেউতা) ই মুখত ভাত দিয়ে। অন্নপ্ৰাশনৰ দিনা অধিকাৰী বা ব্ৰাহ্মণৰ দ্বাৰা পূজা-যজ্ঞ কৰি শিশুটিৰ মুখত প্ৰসাদ দিয়া হয়। অন্নপ্ৰাশনৰ দিনা চোতালত চাৰিডাল কল পুলি ৰুই মাড়োৱা সজা হয়। তাতে আসন পাৰি শিশুটিক বহুৱাই লৈ এখন কাঁহীত ধান, মাটি, গোৱৰ, ফলি কিতাপ, কলম, টকা-পইচা, সোন-ৰূপ আদি বস্তুবোৰ সজাই শিশুটিক চুৱলৈ আগবঢ়াই দিয়া হয়। শিশুটিয়ে প্ৰথমে যিটো বস্তু চুৱে ভৱিষ্যতে সেই বস্তুটোৰ ওপৰত আধিপত্য থাকিব বুলি বিশ্বাস কৰা হয়।

শিশুটিক ৰূপৰ সাজেৰে আগতে তিনিবাৰ বা পাঁচবাৰ শুঙাই দিয়া হয় আৰু পিছত পায়স খুৱাই দিয়া হয়। সেইদিনা আত্মীয়-স্বজন আৰু গাঁৱৰ লোকক নিমন্ত্ৰণ কৰা হয় আৰু সাধ্য অনুসৰি তেওঁলোকক চা-জলপান তথা আহাৰৰ ব্যৱস্থা কৰে। কোচ ৰাজবংশী লোকসকলে অন্নপ্ৰাশনৰ আগদিনা বিষহৰি বা মাৰৈ পূজা কৰে। মানস থাকিলে কালী পূজাও কৰা হয়। এইদৰে কোচ ৰাজবংশী লোকসকলে অন্নপ্ৰাশান অনুষ্ঠানটো পাতে।

**২.০৩.৩. দাঁত গজা ঃ**

দাঁত গজাৰ নিৰ্দিষ্ট সময় থাকে। যদি সময়ত দাঁত নগজে তেতিয়া টেউৰী পখী (ঘনচিৰিকা চৰাই) য়ে খোৱা ধানৰ চোঁচাৰে (বাকলীৰে) শিশুটিৰ দাঁতৰ মাৰিবোৰ খুচাই দিয়া হয়। তেতিয়া সোনকালে দাঁত গজে বুলি বিশ্বাস।[48] ৰাজবংশী লোকসমাজত বিশ্বাস আছে যে প্ৰথমে তলৰফালে দাঁত গজিলে ভাল, ওপৰফালে গজিলে বেয়া। কেঁচুৱাৰ পাইখানা পেলাওঁতে কোৰ বা খন্তি ব্যৱহাৰ কৰিলে পিছত দাঁত কোৰৰ নিচিনা ডাঙৰ হয়।

শিশুৰ প্ৰথম দাঁত ভাঙিলে (দুধখোৱা দাঁত) এন্দুৰৰ গাতত বা দুৰ্বা ঘাঁহৰ (দুৰৰি) মাজত

দিয়া হয়। এন্দুৰৰ গাতত দিলে এন্দুৰৰ দৰে শক্তিশালী চোকা দাঁতৰ অধিকাৰী হ'ব পাৰে বুলি লোকবিশ্বাস আছে। সৰা দাঁত যদি কাউৰী শগুন বা চিলনী আদিয়ে লৈ যায় তেতিয়া দাঁত নগজিব বুলি লোকসমাজত বিশ্বাস আছে।

**২.০৩.৪. সময়ত মাত নুফুটা ঃ**

শিশুবোৰৰ মাত সাধাৰণতে দহ মাহৰ পিছৰ পৰা আৰু ডেৰÛদুই বছৰৰ ভিতৰত ফুটে। যদি সেই সময় পাৰ হৈ যোৱাৰ পিছতো মাত নুফুটে। তেতিয়া শিশুটিৰ গাত কিবা অশুভ দৃষ্টি পৰিছে বুলি বিশ্বাস কৰা হয়। এই অশুভ দৃষ্টি আঁতৰাবলৈ একে উশাহতে বৰা ধানৰ আখৈ ভাজি শিশুক খুৱায় আৰু তুঁহখিনি একে উশাহতে তিনি আলিত পেলাই দি আহে।[49] শিশুটিক তামৰ পইচা চুহিব দিয়ে।

শিশুটিৰ মাকে উতলি থকা ভাতৰ হাড়িত সিপ্তা (মৰাপাটৰ ঠাৰি) সুমুৱাই দি পিছত উলিয়াই আনি শিশুটিৰ মুখত ঠাৰিডালেৰে ঘটঘটাই দিয়া হয়। তেতিয়া হ'লে সোনকালে মাত ফুটে।[50] হাল মাৰা পেণ্ঠি (হালোৱা এচাৰি) দি প্ৰত্যেক দেওবাৰে শিশুটিৰ মোমায়েকৰ দ্বাৰা শিশুটিৰ মুখত ঘটঘটাই দিয়া হয়। তিনিটা দেওবাৰে দিব লাগে। 'তৰকাৰী, দালি ৰান্ধিবৰ সময়ত মাকে শিশুটিক কোলাত লৈ তেলত মচলা ফোড়ন দিয়ে। জনবিশ্বাস মতে ফোড়নৰ শব্দৰ নিচিনাকৈ তেতিয়া কেঁচুৱাও মাত মাতিব'।[51] সময়ত মাত নুফুটিলে মাকজনীয়ে শিশুটিক কোলাত লৈ আখৈ ভাজিব লাগে একে উশাহতে, আখৈ যিমানেই ফাটিব শিশুটিৰ মাতো সিমানেই চোকা হ'ব বুলি লোকবিশ্বাস আছে।

**২.০৩.৫. সময়ত খোজ নকৰা ঃ**

মাত ফুটাৰ নিচিনাকৈ শিশুৰ খোজ কঢ়াৰো সময় থাকে। সময়ত যদি কেঁচুৱাই খোজ নাকাঢ়ে তেতিয়া পৰিয়ালৰ লোকে শিশুটিৰ কিবা দোষ হৈছে বুলি সন্দেহ কৰে। শিশুটিৰ মাকে উৰালত একে উশাহতে ধান খুন্দি তুঁহ বাহিৰ কৰি একে উশাহতে তুঁহখিনি শিশুটিৰ দুই ভৰিৰ তলুৱাত ঘহি দিয়ে আৰু এই ঘহি দিয়া তুঁহখিনি একে উশাহতে তিনি আলিত পেলাই দি আহিব লাগে।[52] ঘি দি কঁকালত মালিচ কৰা হয়। হালোৱা পেণ্ঠিৰে (এচাৰিৰে) শিশুটিৰ

ভৰিৰ তলুৱাত তিনি দেওবাৰে কোৱাই দিয়া হয়, বিশ্বাস মতে এনেদৰে কোবালে সোনকালে খোজ কাঢ়ে।

**২.০৩.৬. লেলাউতি বৈ পৰা ঃ**

কিছুমান শিশুৰ অনবৰতে লেলাউতি বৈ থাকে। কোৱা হয় যে গৰ্ভাৱস্থাত মাকে যদি কিবা খাব লোভ কৰিছিল আৰু সেই বস্তুটো খাব পৰা নাছিল তেতিয়া শিশুটিৰ লেল বা লেলাউতি পৰে। অনবৰতে লেলাউতি বৈ থাকিলে মামাৰ গামোচাৰে মচি দিব লাগে। ল'ৰা-ছোৱালীৰ অনবৰতে লেলাউতি বৈ থাকিলে দুটামান এৰাপাতত ভাত লেলাউতিৰে সানি কুকুৰক দিলে লেলাউতি বন্ধ হয় বুলি পূৰ্বাপৰ চলি অহা ধাৰণা আছে।[53]

**২.০৪.১. অন্যান্য লোকবিশ্বাস আৰু লোকাচাৰ ঃ**

যি তিৰোতাৰ সন্তান জীয়াই নাথাকে। যাৰ সন্তানৰ আগতে মৃত্যু হৈছে, তেনে তিৰোতাৰ সন্তান জন্ম হ'লে জন্মৰ লগে লগে ধাইজনীয়ে কান এখন (বাওঁকানখন) ফুটা কৰি দিয়ে। লোকবিশ্বাসমতে এনে কান ফুটা থাকিলে অংগক্ষুত বুলি অপদেৱতাই অনিষ্ট নকৰে।

নতুনকৈ ওপজা ল'ৰা-ছোৱালী মানুহৰ ঘৰত ফুৰাবলৈ নিলে গৃহস্থই কেঁচুৱাটোৰ মূৰত তেল দিব লাগে, নহ'লে গৃহস্থৰ ঘৰত নিগনিৰ উপদ্ৰৱ হয় বুলি বিশ্বাস।[54] কিছুমান কেঁচুৱাৰ নাভি বন্ধা ঠিক নহ'লে পিছত নাভিটো ওপৰত উঠা হৈ থাকে। নাভিটোত মামাই তিনিটা দেওবাৰে হালোৱা পেণ্ঠিৰে (এচাৰিৰে) নাভিটো লাহেকৈ কোৱাই বা খোচ মাৰি দিব লাগে, তেতিয়া নাভিটো ভিতৰত সোমাই যায় বুলি বিশ্বাস। এক মাহৰ চুৱা কামোৱাৰ পিছত পোৱাতীৰ মাকে পোৱাতী আৰু কেঁচুৱাক নিজৰ ঘৰলৈ লৈ যায়। তাতে পোৱাতীক বহুতো খাদ্য খুৱাই আৰু নতুন কাপোৰ দিয়ে।

কেঁচুৱাৰ কাপোৰ ধোৱা আৰু শুকুৱাৰ ক্ষেত্ৰটো কিছুমান নিয়ম দেখা যায়। কেঁচুৱাটো দুই তিনিমাহ নোহোৱালৈকে কাপোৰবোৰ ধুই হাতেৰে চেপি জোকাৰি ৰ'দত মেলি দিব লাগে। কাপোৰ মোচৰিলে নৱজাতকৰ গাটোও মোচৰা-মোচৰি কৰে বুলি বিশ্বাস কৰে।[55] 'অশুচি অৱস্থাত মাকে গা ধুই মুৰৰ চুলিৰ আগেৰে শিশুৰ কাষলতি আৰু ভৰিৰ কাছত (কৰঙত) পানী দিয়ে, ইয়াৰ ফলত কাষলতি আদিত ঘাঁ নহয় বুলি জনবিশ্বাস আছে'।[56]

**পাদটীকা**

1¼ অনিল কুমাৰ বৰ্মণ, গাৰ্জা, পৃ. 26

2¼ সংবাদদাতা ঃ দয়াল ৰায় (70], গঙ্গাজাফলং, কোকৰাঝাৰ

3¼ সংবাদদাত্ৰী ঃ ৰীনা ৰায় (45], দেৱৰগাঁও, কোকৰাঝাৰ

4¼ লাবণ্য ভকত ঃ ৰাজবংশী লোক সংস্কৃতি, পৃ. 131

5¼ সংবাদদাতা ঃ বাবুলাল ৰায় (70], কুণ্ঠাইবাৰী, কোকৰাঝাৰ

6¼ সংবাদদাতা ঃ পৰেশ্বৰ চৌধুৰী (65], ভোটগাঁও, কোকৰাঝাৰ

7¼ সংবাদদাত্ৰী ঃ কল্পনা ৰায় (50], সেৰফানগুৰি, কোকৰাঝাৰ

8¼ লাৱন্য ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 80

9¼ সংবাদদাতা ঃ বাবুলাল ৰায় (60], ডাঙ্গাপাৰা, কোকৰাঝাৰ

10¼ সংবাদদাত্ৰী ঃ ৰাজোবালা ৰায় (45], কালাইগাঁও, কোকৰাঝাৰ।

11¼ দ্বিজেন্দ্ৰনাথ ভকত ঃ অসমৰ কোচ-ৰাজবংশী জনজাতি, পৃ. 103¼

12¼ লাবণ্য ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 81¼

13¼ সংবাদদাতা ঃ কামাখ্যা অধিকাৰী (55], টুনীয়াডাঙ্গা, কোকৰাঝাৰ।

14¼ লাবণ্য ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 81¼

15¼ লাৱণ্য ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 81¼

16¼ সংবাদদাত্ৰী ঃ জয়ন্তী ৰায় (50], কলবাৰী, কোকৰাঝাৰ।

17¼ সংবাদদাত্ৰী ঃ ৰেণুবালা ৰায় (60], আঠিয়াবাৰী, কোকৰাঝাৰ।

18¼ লাবণ্য ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 82¼

19¼ সংবাদদাত্ৰী ঃ হিৰণবালা ৰায় (65], কালীপুখুৰী, কোকৰাঝাৰ।

20¼ সংবাদদাত্ৰী ঃ মাম্পী ৰায় (25], সেৰফানগুৰি, কোকৰাঝাৰ।

21¼ সংবাদাত্ৰী ঃ ফুলোৰালা ৰায় (50], কলবাৰী, কোকৰাঝাৰ।

22¼ লাবন্য ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 163¼

23¼ দুৱাৰী ঠাকুৰ ঃ কোচ ৰাজবংশী লোকসকলে ঘৰৰ দুৱাৰত দুৱাৰী ঠাকুৰ থাকে বুলি বিশ্বাস কৰে। গৰ্ভৱতীয়ে প্ৰসৱ বেদনাত কষ্ট পাই থাকিলে দুৱাৰী ঠাকুৰৰ ওচৰত সোনকালে প্ৰসৱ হ'বৰ বাবে প্ৰাৰ্থনা জনায়।

24¼ সংবাদাত্ৰী ঃ জয়ন্তী ৰায় (47], দেৰৰগাঁও, কোকৰাঝাৰ।

25¼ শিকই ঃ কঁকালত পিন্ধা ৰঙা বা কলা ৰঙৰ জৰী।

26¼ সংবাদাত্ৰী ঃ সোমে’ৰায় (45], হোকমাবিল, কোকৰাঝাৰ।

27¼ প্ৰবীণ বৰ্মন ঃ অসমৰ বিভিন্ন জনগোষ্ঠীৰ জন্ম-মৃত্যু সম্পৰ্কীয় লোকাচাৰ, পৃ. 161

28¼ পূৰবী ৰায় বৰুৱা, জাগৰণ, পৃ. 12

29¼ লাবণ্য ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 83¼

30¼ সংবাদাত্ৰী ঃ ৰাজোবালা ৰায় (45], কালাইগাঁও কোকৰাঝাৰ।

31। সংবাদদাত্ৰী ঃ জগতেশ্বৰী ৰায় (60], ক্ষুদ্ৰ বাসুগাঁও, কোকৰাঝাৰ।

32¼ সংবাদাতা ঃ দয়াল ৰায় (70], গঙ্গাজাফলা, কোকৰাঝাৰ।

33¼ সংবাদাতা ঃ খগেন ৰায় (60], হোকমাবিল, কোকৰাঝাৰ।

34¼ লাবণ্য ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 174¼

35¼ চন্দনা ৰায় চৌধুৰী, দিহিৰাও, পৃ. 50¼

36¼ সংবাদদাত্ৰী ঃ ৰেণুবালা ৰায় (65], নেপালপাৰা, কোকৰাঝাৰ।

37¼ মাসি মুচি ঃ জন্মৰ কেইদিনমান পিছত কেঁচুৱাটোৰ শৰীৰত সৰু সৰু ৰঙা ৰঙৰ ঘামচিৰ নিচিনা হয়। ৰাজবংশী সমাজত ইয়াক মাসি-মচি বোলে। মাসি-মুচি হ’লে মাহীৰ কাপোৰেৰে কেঁচুৱাটোৰ শৰীৰ মচি দিয়া হয়, তেতিয়া কমে বুলি বিশ্বাস।

38¼ অনিল বৰ্মন ঃ গাৰ্জা, পৃ. 29¼

39¼ সংবাদদাতা ঃ বাবুলাল ৰায় (70], কুণ্ঠাইবাৰী, কোকৰাঝাৰ।

40¼ সুঙাৰীûসিন্দুৰাই ঃ কেঁচুৰাৰ কোমল নাড়ীত হোৱা এক প্ৰকাৰৰ অনুজীৱ। সেন্দুৰৰ নিচিনা ৰঙা কাৰণে সিন্দুৰাই নাম।

41¼ সংবাদদাতা ঃ কামাখ্যা অধিকাৰী (55], টুনীয়াডাঙ্গা, কোকৰাঝাৰ।

42¼ লাবণ্য ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 132¼

43¼ কান্দানা ঃ কান্দানা একপ্ৰকাৰ বেয়া হাৱা। এই হাৱা লাগিলে কেঁচুৱাই অনবৰতে কান্দি থাকে। মাকৰ গাখীৰ নাখায়। পিছত কবিৰাজৰ পৰা পানী জৰা আনি খুৱাই দিয়া হয়।

44¼ সংবাদদাত্ৰী ঃ জয়ন্তী ৰায় (44], পাটগাঁও, কোকৰাঝাৰ।

45¼ দোকামান ঃ কেঁচুৰাৰ মাহেকীয়া চুৰা কামোৰাৰ সময়ত দ্বিতীয়বাৰৰ কাৰণে কিছুমানে চুলি খুৰাই দিয়ে ইয়াকে দোকমান দিয়া বুলি কোৱা হয়।

46¼ সংবাদদাতা ঃ নন্দেশ্বৰ ৰায় (68], কালীপুখুৰী, কোকৰাঝাৰ।

47¼ সংবাদদাতা ঃ কামাখ্যা অধিকাৰী [58], টুনীয়াডাঙ্গা, কোকৰাঝাৰ।

48¼ সংবাদদাতা ঃ দয়াল ৰায় (70], গঙ্গাজাফলং, কোকৰাঝাৰ।

49¼ লাবণ্য ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 221¼

50¼ সংবাদদাতা ঃ পানেশ্বৰ ৰায় (70], ইন্টিবিল, কোকৰাঝাৰ।

51¼ লাবণ্য ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 221¼

52¼ সংবাদদাত্ৰী ঃ ৰীণা ৰায় (45], দেৱৰগাঁও, কোকৰাঝাৰ।

53¼ লাৱণ্য ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 222¼

54¼ লাবণ্য ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 222¼

55¼ চন্দনা ৰায় চৌধুৰী ঃ দিহিৰাও, পৃ. 50¼

56¼ লাবণ্য ভকত ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. 83¼